বামুণীয়া লিপি, গড়গঞা লিপি আৰু কাইথেলী বা লৰকৰী লিপি।

মধ্যযুগীয়া অসমীয়া লিপিক বিশেষকৈ সাঁচিপতীয়া পুথিত ব্যৱহাৰ হোৱা লিপিৰ তিনিটা শাৰী লিখনভংগী ওলাই পৰিছে। মধ্যযুগীয়া অসমীয়া লিপিক আলোচনা আৰু অধ্যয়নৰ সুবিধাৰ কাৰণে কেইটামান ভাগত ভগোৱা হৈছে। দ্বাদশৰ পৰা চতুৰ্দশ শতিকামান পৰা অসমত সাঁচিপাতত নানা বিধৰ পুথি লিখা কাম যথেষ্ট প্ৰচলন হ'বলৈ হৈছে। সাঁচিপাতত পুথি লেখা হ'বলৈ ধৰাত তেনে বিধৰ লেখন কাৰ্য্যত তিনিটা লিখনভংগী শাৰী হৈ পৰিল। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এই তিনিটা ৰীতিক ক্ৰমে বামুণীয়া, গড়গঞা আৰু কাইথেলী বা লৰকৰী আখ্যা দিছে। ড° সূৰ্য্যকুমাৰ ভূঞাই উপৰত উল্লেখ কৰা তিনিওবিধ লিপি ৰীতিৰ উল্লেখ কৰি কৈছে যে এই তিনিবিধৰ কোনো মৌলিক প্ৰভেদ নাই, লিপিকাৰৰ স্থান আৰু বৈচিত্ৰ্য অনুসৰি আখৰৰ গঢ়ত সামান্য প্ৰভেদ দেখা যায়।

বামুণীয়া লিপি — উপেন্দ্ৰ নাথ গোস্বামীৰ মতে সংস্কৃত টোলবোৰক কেন্দ্ৰ কৰি পুথি-পাঁজি বনা আৰু নকল কৰাৰ যি ৰীতিৰ প্ৰচলন হৈছিল তাৰ ফলস্বৰূপে বামুণীয়া লিপিৰ সৃষ্টি হয়। বামুণীয়া আখৰ সাধাৰণতে সংস্কৃত পুথি লিখোঁতে ব্ৰাহ্মণ লিপিকাৰে ব্যৱহাৰ কৰিছিল। এই লিখন ভংগীত অ, আ, ঢ, ম, ট, হ আদি আখৰ দেৱনাগৰী লিপিৰ লগত

Scanned by TapScanner

...আছে এই ৰীতি অনুসৰণ কৰা হৈছিল।

বিহাৰ অঞ্চলত ব্যৱহৃত এই লিপিটোৰ প্ৰচলন আছিল। অ, আ, আদিৰ বৰ্ণবোৰ দেৱনাগৰী সদৃশ। ই-আকাৰৰ দেৱনাগৰীৰ দৰে ই, উ-ৰ ওপৰত চিহ্নটোৰ সাদৃশ্যতে মাত্ৰাত ক আৰু ঙ অৰু চিহ্নমান দেখা পোৱা যায়। ক, খ, ৰ, গ, ন — আদিৰ আকাৰ বৰ্তমানৰ দৰেই। বাংলা আৰু অসমীয়া আখৰবোৰৰ লেখনৰীতি কায়স্থলীৰ দৰে প্ৰায় একে হয়। 'ল'-টোৰ আকাৰটোত এতিয়াও অলপ মিল থকা দেখা যায়। তলত বাংলা লেখনভংগীৰ আখৰৰ তালিকা দিয়া হৈছে — (গৌড়ীয় লিপিৰ পৰা লোৱা)

এ, ঐ, ট, ঠ, ড, ঢ, ণ, ন

<u>গড়গাঁও লিপি</u> — গড়গাঁও লিপিটো আহোম ৰজাৰ ৰাজধানী গড়গাঁৱক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। এই লিপি উজনিত বেছিকৈ চলিছিল। গড়গাঁৱক কেন্দ্ৰ কৰি ইয়াৰ প্ৰচলন হোৱা হেতুকে ইয়াৰ নাম গড়গাঁও লিপি হ'ব পাৰে। অধ্যাপক লীলা গগৈয়ে 'গৱেষণা প্ৰসংগ' (২য় বছৰ প্ৰথম সংখ্যা) নামৰ আলোচনীত 'গড়গাঁও লিপি আৰু অসমীয়া লিপিৰ বুৰঞ্জী' শিৰোনামৰ প্ৰবন্ধত গড়গাঁও লিপিৰ বিষয়ে লিখিছে — "অধিকাংশ বুৰঞ্জী পুথি গড়গাঁও লিপিতে লিখিত। ৰজাই 'লিখক' নামে এটা বেলেগ লিপিকাৰক হিচাপে নিযুক্তি দিয়াত আৰু এনে লেখকসকলে পুথিবোৰ লেখা বাবে আখৰবোৰ ধুনীয়া আৰু একে গঢ়ৰ। ঠ, ন, ল আদি বৰ্তমানৰ বৰ্ণৰ বাহিৰে বৰ্তমানৰ সংযুক্তাক্ষৰ আধুনিক লিপিৰ আৰ্হিৰ লগত বাকীবোৰ অসমীয়া বৰ্ণৰ গঢ় আধুনিক লিপিৰ লগত ... কম নাছিল।" অৱশ্যে পদ-পুথি আদিতো ইয়াৰ ... অ, আ, ই, ঈ আদি আখৰবোৰ ... এই লেখনভংগীত ... আখৰৰ আধুনিক গঢ় হোৱা দেখা যায়। ... আৰু বৰ্তমানো এই লিপিভংগীত ...

Scanned by TapScanner

গড়গঞা লিপিৰ মালো হ'ল — (ড° মহেশ্বৰ নেওগ ...

এ ই উ, ক ঔ ট ণ

কায়স্থলী বা লহৰুৱা লিপি — ড° মহেশ্বৰ নেওগৰ মতে "কামৰূপী প্ৰণালীৰ লিপিটো কায়স্থলী নামেৰে প্ৰসিদ্ধ। কায়স্থসকলে প্ৰধানভাৱে ব্যৱহাৰ কৰাৰ বাবেই লিপিটোৰ নাম কায়স্থলী হ'ল গৈ।" চিঠি পত্ৰ আদিৰ লগত ইয়াৰ সম্পৰ্ক থকা বুলিয়েই ইয়াক লহৰুৱাও বোলা হ'ব পাৰে। হয়তো মধ্যযুগৰ অসমত চিঠি পত্ৰ, ধৰ্মশাস্ত্ৰ আদিৰ লগত যিহেতু সম্পৰ্ক থকা কায়স্থসকলক লহকৰ বোলা হৈছিল, গতিকে লহকৰ সকলৰ লেখনভংগীটো লহৰুৱা লিপি।

কায়স্থলী বা লহৰুৱা লিপি চিঠি-পত্ৰ বাহিৰেও আৰ্যা পুথি লিখোঁতে কায়স্থসকলে ব্যৱহাৰ কৰিছিল। 'কিতাবত মঞ্জৰী', 'হস্তীবিদ্যাৰ্ণৱ', 'ঘোড়ানিদান' আৰু আন আন কায়স্থলী বিদ্যাৰ পুথিও এই লিপিত লিখিত হৈছিল। কায়স্থলী আখৰ সাধাৰণতে কায়স্থসকলে চিঠি পত্ৰ আৰু অন্যান্য বৈষয়িক গ্ৰন্থ লিখোঁতে ব্যৱহাৰ কৰিছিল যদিও পাছলৈ অন্যান্য গ্ৰন্থ লিখোঁতেও ইয়াৰ ব্যৱহাৰ হ'বলৈ ধৰে।

এই লিপিভংগীত আখৰৰ ওপৰৰ চিহ্নবোৰ (ু, ি, ী ইত্যাদি) আৰু তলৰ বেখা বা ডাঁৰবোৰক সোঁফালৰ লগত ডাঁৰবোৰৰ সংলগ্ন হৈ আলংকাৰিক ভাৱে বহুখিনি বঢ়াই নিয়া দেখা যায়। আখৰৰ কোনবোৰেই ... সাধাৰণতে একো লানিতে লিখি যোৱা হয়, আখৰবোৰ পৰিচ্ছন্ন ভাৱে পৃথক কৰি দেখুওৱা নহয়। তলত কায়স্থলী আখৰৰ নমুনা দেখুওৱা হৈছে —

(শ্ৰী চন্দ্ৰকান্তৰ 'শোষ দশম'ৰ গদ্য লেখা)

এ উ ক, ট ব ত ন